জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৪/২০২০

# কৰুণাধাৰা ন্যাসৰ দশম প্ৰতিষ্ঠা দিৱস অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## দিব্যাংগসকলৰ আশ্ৰয়গৃহ নিৰ্মাণৰ বাবে কৰুণাধাৰা ন্যাসলৈ গুৱাহাটী মহানগৰীৰ উপযুক্ত স্থানত ৰাজ্য চৰকাৰে প্ৰদান কৰিব প্ৰয়োজনীয় ভূমি

### কৰুণাধাৰা ন্যাসে সমাজৰ দুৰ্বল আৰু আৰ্তজনৰ মুখৰ হেৰাই যোৱা হাঁহি ঘূৰাই অনাৰ বাবে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** দিব্যাংগসকলৰ আশ্ৰয়গৃহ নিৰ্মাণৰ বাবে কৰুণাধাৰা ন্যাসলৈ গুৱাহাটী মহানগৰীৰ উপযুক্ত স্থানত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ভূমি আগবঢ়াব। আজি খানাপাৰাস্থিত অসম কৃষি বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত 'কৰুণাধাৰা' ন্যাসৰ দশম প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘোষণা কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমি মাথোঁ জীয়াই থকাৰ বাবে জীয়াই থাকিলে নহ'ব, আনৰ কথাও ভাবিব লাগিব। মানৱ সেৱাই ঈশ্বৰ সেৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমাজৰ অৱহেলিত লোকসকলক মৰ্যাদাসহকাৰে জীৱন নিৰ্বাহৰ লগতে সামাজিক আৰু আৰ্থিক নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত মাথো চৰকাৰেই নহয়, সমাজৰ প্ৰতিগৰাকী লোকে দায়বদ্ধতাৰে অগ্ৰসৰ হ'ব লাগিব। ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতৰ পংক্তিৰ উদ্ধৃতি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে যি মহান ত্যাগ আৰু মানৱীয় প্ৰমূল্যবোধেৰে উদ্বুদ্ধ হৈ প্ৰতিষ্ঠা কালৰে পৰা কৰুণাধাৰা ন্যাসে সমাজৰ দুৰ্বল আৰু আৰ্তজনৰ মুখৰ হেৰাই যোৱা হাঁহি ঘূৰাই অনাৰ বাবে কাম কৰি আহিছে, সেয়া আমাৰ সকলোৰে বাবে অনুকৰণীয়। সংস্থাটোৰ এই কৰ্মৰাজিয়ে হাজাৰজনক মানুহৰ বাবে কাম কৰাৰ দিশত প্ৰেৰণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অনুষ্ঠান এটা জন্ম দিয়াটো উজু কাম। কিন্তু অনুষ্ঠানটোক ৰাইজৰ বিশ্বাসযোগ্য তথা আস্থাভাজনৰূপে আগুৱাই নি প্ৰকৃত মানৱ সেৱা কৰাটো অতিকৈ কঠিন কাম। ৰাইজৰ দান বৰঙণিৰে গঠিত কৰুণাধাৰা ন্যাসৰ সংগৃহীত পুঁজিৰ প্ৰতিটো টকাৰ সদ্ব্যৱহাৰ কৰাৰ বাবে সংস্থাটোৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে অন্যান্য দাতব্য সংস্থাসমূহকো এই আদৰ্শৰে বাট বুলিবলৈ আহ্বান জনায়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দিব্যাংগসকলৰ বাবে নিৰৱে কাম কৰি থকা অনুষ্ঠানসমূহক একত্ৰিত কৰি গুৱাহাটীত এখন সভা আহ্বান কৰাৰ ক্ষেত্ৰত উদ্যোগ ল'বলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে স্বনামধন্য কথাশিল্পী হোমেন বৰগোহাঞিক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে দিব্যাংগসকলক সমাজত এক মৰ্যাদাপূৰ্ণ স্থান উপহাৰ দিয়াৰ বাবে চৰকাৰে প্ৰকৃত আন্তৰিকতাৰে কাম কৰি আহিছে। ৰাজ্য চৰকাৰৰ প্ৰয়াসত ডিব্ৰুগড়ত দিব্যাংগসকলৰ বাবে এখন আইটিআই প্ৰতিষ্ঠা কৰা হৈছে। দিব্যাংগসকলৰ বাবে বিশেষভাৰে প্ৰতিষ্ঠিত এইখনেই

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

ভাৰতবৰ্ষৰ প্ৰথম আৰু একমাত্ৰ আইটিআই প্ৰতিষ্ঠান বুলি তেওঁ কয়। দিব্যাংগসকলৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে তেওঁলোকৰ প্ৰতিগৰাকীলৈ প্ৰতিমাহে ১ হাজাৰ টকাকৈ প্ৰদান কৰি থকাৰ লগতে বিভিন্ন চৰকাৰী বিভাগত ৬৬৩ গৰাকী দিব্যাংগ ব্যক্তিক নিয়োগ প্ৰদান কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দিব্যাংগসকলৰ বাবে এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰ অতিশয় আগ্ৰহী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ কৰিলে এই দিশত আগবাঢ়িব পৰা যাব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে 'কৰুণাধাৰা' ন্যাসৰ তৰফৰ পৰা কৰ্পাছ ফাণ্ড গঠনৰ বাবে জনোৱা আহ্বানৰ বিষয়টো ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰা হ'ব বুলিও আশ্বাস প্ৰদান কৰে।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে 'কৰুণাধাৰা' ন্যাসৰ কৰ্মৰাজি সামৰি অইল ইণ্ডিয়া লিমিটেডৰ অৰ্থ সাহায্যৰে বিশিষ্ট পৰিচালক চাৰুকমল হাজৰিকাই পৰিচালনা কৰা এখন তথ্যচিত্ৰও আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি 'কৰুণাধাৰা' ন্যাসৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিয়ে ন্যাসটোৰ জন্মলগ্নৰ নেপথ্যৰ কথা স্মৰণ কৰি কয় যে উৎসৱ উদ্‌যাপন কৰাৰ সলনি মানুহৰ বাবে আজীৱন কাম কৰি যোৱাৰ সংকল্প নতুনকৈ লোৱাৰ উদ্দেশ্যৰেহে 'কৰুণাধাৰা'ই প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। ২০১১ চনত 'আমাৰ অসম' কাকতত প্ৰকাশিত 'হুইল চেয়াৰ আৰু বিচনাত ৰুদ্ধ হৈ গ'ল সিহঁতৰ জীৱনৰ গতি' শীৰ্ষক ৰচনাৰ কিয়দংশ পাঠ কৰি বিশিষ্ট লেখকগৰাকীয়ে সমাজৰ দিব্যাংগ লোকসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত বিশিষ্ট উদ্ভাৱক পদ্মশ্ৰী ড° উদ্ধৱ ভৰালী, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য আৱাসিক বিষয়া দিলীপ কুমাৰ দাসেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত 'কৰুণাধাৰা' ন্যাসৰ তৰফৰ পৰা দিব্যাংগ সকলৰ বাবে দীৰ্ঘদিন ধৰি নিৰৱে সেৱা আগবঢ়াই অহা লেৰেলা খুদৈ মেম'ৰিয়েল ট্ৰাষ্টৰ মুৰব্বী প্ৰেমলতা শইকীয়াক বিশেষভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ উপৰি ২০ হাজাৰ টকাৰ এখন চেক্ প্ৰদান কৰা হয়।

অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, 'কৰুণাধাৰা' ন্যাসৰ সভাপতি প্ৰতুল চন্দ্ৰ ফুকন, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক ভট্টাচাৰ্য, কৃষি বিশ্ববিদ্যালয়ৰ ডীন বিবেকানন্দ শইকীয়াকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**প্ৰঃবঃ / বঃভাঃ**

**১২/০২/২০২০**